জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৩৬/২০২২

## শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশ ল'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

## অসমৰ বৈচিত্ৰ্যময় কলা-কৃষ্টিৰ প্ৰসাৰৰ কামত নিয়োজিত হ'বলৈ কলাক্ষেত্ৰ সমাজক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৯ নৱেম্বৰ ঃ** 'অসমৰ কলা-সংস্কৃতি আজি ধাৰাবাহিক আৰু পৰিকল্পিত আক্ৰমণৰ সন্মুখীন হৈছে। পাঁচ হাজাৰ বছৰীয়া সনাতন সংস্কৃতিৰ গৰ্ভত সৃষ্ট আৰু পুৰাতন জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ দ্বাৰা লালিত-পালিত হৈ সংবৰ্দ্ধিত হোৱা বৃহত্তৰ অসমীয়া সংস্কৃতিৰ বৰগছ জোপাত আজি অশুভ সংস্কৃতিৰ পৰিকল্পিত আক্ৰমণ আমি দেখিবলৈ পাইছোঁ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পৰিবৰ্দ্ধিত কৰি থৈ যোৱা অসমীয়া সংস্কৃতিৰ লাইখুটা সত্ৰসমূহ আজি বিদেশী সংস্কৃতিৰ স্বাৰ্থান্বেষী একাংশ লোকৰ নিৰবচ্ছিন্ন আক্ৰমণৰ বলি হৈছে। অসমীয়াৰ বাপতি সাহোন বিহুকো আজি সেই বিশেষ চক্ৰটোৱে বিকৃত ৰূপত উপস্থাপন কৰি সাংস্কৃতিক আক্ৰমণ অব্যাহত ৰাখিছে। এই দিশত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এক গধুৰ দায়িত্ব আছে। অসমৰ জাতি-জনগোষ্ঠীৰ মাজত থকা বৈচিত্ৰ্যময় কলা-কৃষ্টিৰ প্ৰকৃত বাস্তৱ ৰূপ দাঙি ধৰি কলাক্ষেত্ৰ সমাজে সমগ্ৰ অসমবাসী জনগণৰ মাজত সংস্কৃতি প্ৰসাৰৰ কামত নিজকে নিয়োজিত কৰক।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ প্ৰতি এই আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশ্বৰ বহু প্ৰাচীন সংস্কৃতি আন বহিঃসংস্কৃতিৰ ক্ৰমাগত আক্ৰমণত নিশ্চিহ্ন হৈ যোৱাৰ অলেখ উদাহৰণ আছে। ইউৰোপীয় উপনিবেশ প্ৰতিষ্ঠা হোৱাৰ বহু পূৰ্বে কেৰিবিয়ান দ্বীপপুঞ্জ, আমেৰিকা, আফ্ৰিকা, অষ্ট্ৰেলিয়া আদি দেশ তথা মহাদেশসমূহত স্থানীয় বিশ্বাস-সংস্কৃতি আৰু ধৰ্মই বিৰাজ কৰিছিল। আজি সেই সংস্কৃতিসমূহ বিস্মৃতিৰ অতল গহ্বৰত লীন হৈ গ'ল। ইউৰোপীয় সংস্কৃতিয়ে সেই থলুৱা সংস্কৃতিসমূহক সম্পূৰ্ণৰূপে গ্ৰাস কৰি নিজস্ব সংস্কৃতি প্ৰতিষ্ঠা কৰিছে। যি ঔপনিৱেশিক শক্তিসমূহে এই মহাদেশসমূহৰ মহৎ ধৰ্ম আৰু সাংস্কৃতিক বিশ্বাসসমূহ সম্পূৰ্ণৰূপে বিনাশ কৰিলে বা সেইবোৰক সংখ্যালঘূত পৰিণত কৰিলে সেই একেই ঔপনিৱেশিক শক্তিসমূহে কিন্তু ভাৰতৰ স্থানীয় অধিবাসীসকলৰ প্ৰাচীন বিশ্বাস আৰু পৰম্পৰাসমূহ ধ্বংস কৰাত সফল নহ'ল বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে ভাৰতীয় সনাতন সভ্যতাত নিহিত শক্তিৰ বাবেই এই সভ্যতা ইউৰোপীয় শক্তিৰ সন্মুখত অপৰাজেয় হৈ থাকি গ'ল।

সংস্কৃতিক এক গতিশীল সমাজ জীৱনৰ আধাৰ বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সংস্কৃতিয়ে একোটা জাতিৰ স্বকীয় পৰিচয় গঢ় দিয়ে। সেয়েহে প্ৰতিগৰাকী ব্যক্তি নিজৰ কৃষ্টি-সংস্কৃতিৰ সৈতে সুপৰিচিত হোৱাটো জৰুৰী। কোনো এটা অঞ্চলৰ সাংস্কৃতিক উপাদানসমূহৰ অধ্যয়নে অঞ্চলটোৰ পৰম্পৰাগত

জ্ঞান, চিন্তাধাৰা আৰু মূল্যবোধৰ সম্পৰ্কে স্পষ্ট আভাস দিয়ে। নৃগোষ্ঠীয়, জনজাতীয় পৰম্পৰাগত ৰীতি-নীতি আৰু অন্যান্য সম্প্ৰদায়ৰ মাজতেই অসমৰ বিচিত্ৰতা আৰু স্পন্দনশীলতা নিহিত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে জনজাতীয় লোকসকলৰ থলুৱা বিশ্বাস আৰু সংস্কৃতিৰ গভীৰ অধ্যয়ণ আৰু গৱেষণাৰ জৰিয়তে ইয়াৰ সংৰক্ষণৰ দিশত শক্তিশালী পদক্ষেপ ল'বলৈ ৰাজ্য চৰকাৰে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ গঠন কৰিছে।

অসমৰ স্বকীয় কলা-সংস্কৃতিৰ সুৰক্ষা আৰু প্ৰচাৰ তথা প্ৰসাৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দায়িত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন জনগোষ্ঠীৰ লোক সংস্কৃতি, লোক-নৃত্য, লোক-বাদ্য, সামাজিক পৰম্পৰা আৰু ৰীতি-নীতিৰ আৰ্হিৰে জনমানসত প্ৰভাৱ বিস্তাৰ কৰিব পৰা ধৰণৰ কাৰ্যসূচী বেছিকৈ গ্ৰহণ কৰিবলৈ কলাক্ষেত্ৰ সমাজক আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশ্ববাসীৰ সন্মুখত অসমৰ অন্যতম গৌৰৱৰ স্থলী হিচাপে কলাক্ষেত্ৰক লালন-পালন কৰাৰ এটা মন লৈ ইয়াৰ সৈতে জড়িত সকলো পক্ষই আত্মনিয়োগ কৰিবলৈ সংকল্প ল'ব লাগিব।

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠাৰ পৰা উত্তৰণৰ দীঘলীয়া যাত্ৰাৰ আলোকপাত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বহু জনৰ ত্যাগ, কষ্ট, পৰিশ্ৰম আৰু পৰিকল্পনাৰ ফচল হৈছে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ। অসম চুক্তিৰ ছয় নং দফাৰ আলমতে পৰৱৰ্তী সময়ত এই কলাক্ষেত্ৰ গঢ় লৈ উঠিছিল বুলি উল্লেখ কৰি ড° শৰ্মাই অসম আন্দোলনৰ অমৰ শ্বহীদসকলৰ লগতে এই প্ৰকল্পৰ বিষয়ে প্ৰথমে প্ৰস্তাৱ আগবঢ়োৱা বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ নিৰ্মাতা ড° ভবেন্দ্ৰ নাথ শইকীয়া প্ৰমুখ্যে যিসকল ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত কলাক্ষেত্ৰই আজিৰ ৰূপ লাভ কৰিছে তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। তেওঁ কয় যে বিগত বছৰবোৰত ৰাজ্যৰ বাৰেৰহনীয়া কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই বহু উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈছে। সময়ে সময়ে বিভিন্ন জনগোষ্ঠীয় সমাৰোহৰ আয়োজনেৰে অঞ্চলটোৰ কৃষ্টি-সংস্কৃতিৰ সৈতে স্থানীয় জনসাধাৰণৰ লগতে দেশী-বিদেশী পৰ্যটকসকলক পৰিচিত কৰাত কলাক্ষেত্ৰই প্ৰশংসনীয় ভূমিকা ল'বলৈ সক্ষম হৈছে বুলিও তেওঁ কয়।

আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ কৃষি তথা অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি জিতুল সোণোৱাল, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, সাংস্কৃতিক বিভাগৰ সচিব লায়া মাদ্দুৰী, জ্যেষ্ঠ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, সংগীত নাটক একাডেমী বঁটা প্ৰাপক যশস্বী নৃত্যশিল্পী যতীন গোস্বামী আৰু বিশিষ্ট চিত্ৰশিল্পী ননী বৰপূজাৰী প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ/আঃহাঃ**
**৯/১১/২০২২**